# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :** 1845 Hrs

## Assamese Evening Bulletin
## Headlines
-------------------

১। দেশৰ উপ-ৰাষ্ট্ৰপতি পদৰ বাবে অহা ৯ ছেপ্তেম্বৰত নিৰ্বাচন।

২। নাওবৈচাৰ ফুকনদলনি আৰু কলাখোৱাত জিলা প্ৰশাসনৰ উচ্ছেদ। মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিলত কাইলৈ অভিযান।

৩। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ মঙলদৈ-মাজিকুছি সংযোগী পথ নিৰ্মাণত অনুমোদন।

৪। দুৰ্গা পূজাৰ পূৰ্বে বিটিচি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ। **আৰু**

৫। দেশৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন।

০০০০০০০০

লখিমপুৰ জিলা প্ৰশাসনে আজি নাওবৈচাৰ ফুকনদলনি আৰু কলাখোৱাৰ ২৩৪ বিঘা ভূমিত উচ্ছেদ চলায়। আৰক্ষী প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে উচ্ছেদ অভিযান সুকলমে সম্পন্ন হয়। প্ৰশাসনে ফুকনদলনিৰ ১১৪টা পৰিয়াললৈ জাননী জাৰি কৰিছিল। উচ্ছেদৰ পূৰ্বে ৯০ শতাংশ পৰিয়ালে নিজৰ বাসগৃহ খালী কৰি অইন স্থানলৈ আঁতৰি যায়। জিলাখনত ৩ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে লক্ষ্য লৈছে। যোৰহাটত অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ মাটি অবৈধভাৱে দখল কৰি থকা দুটা পৰিয়ালৰ ঘৰত জিলা প্ৰশাসনে উচ্ছেদ চলায়। দুবছৰ পূৰ্বে জাননী দিয়াৰ পাছতো পৰিয়াল দুটাই সেই স্থানৰ পৰা আঁতনি নোযোৱাত জিলা প্ৰশাসন উচ্ছেদ চলাবলৈ বাধ্য হয়।

ইপিন, গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। প্ৰায় ৭০খন এস্কেভেটৰৰ লগতে কেইবা শতাধিক বন কৰ্মী, আৰক্ষী আৰু প্ৰশাসনৰ লোক উচ্ছেদ অভিযানৰ বাবে সাজু হৈছে। অঞ্চলটোত জাননী লাভ কৰা অধিকাংশ পৰিয়ালে উচ্ছেদৰ পূৰ্বে বয়-বস্তু সামৰি নেঘেৰীবিল ত্যাগ কৰিছে। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৪ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযানৰ পৰা সকাহ প্ৰদান কৰা নেঘেৰীবিলৰ ৫৯টা পৰিয়ালক চিনাক্ত কৰাৰ উদ্দেশ্যে বন বিভাগে ঘৰে ঘৰে গৈ জৰীপ আৰম্ভ কৰিছে। বন বিভাগৰ লোকে প্ৰতিটো পৰিয়ালৰ দেৱালত ক্ৰমিক নম্বৰ লিখি ন্যায়ালয়ৰ পৰা সকাহ লাভ কৰা পৰিয়ালসমূহ চিনাক্ত কৰাৰ ব্যৱস্থা কৰিছে। এই উচ্ছেদ অভিযান সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ-

বাইট

উল্লেখযোগ্য যে নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলৰ ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিছিল আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সময়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰিছিল।

০০০০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে মঙলদৈ-মাজিকুছি সংযোগী পথ নিৰ্মাণত অনুমোদন জনাইছে। উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অধীনত প্ৰায় ৪৫ কোটি ৩১ লাখ টকা ব্যয়েৰে ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথচোৰা নিৰ্মাণ কৰা হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই পথচোৰাই

দৰং আৰু ওদালগুৰি জিলাক পোনপটীয়াকৈ সংযোগ কৰিব আৰু মঙলদৈ আৰু ভেৰগাঁৱৰ মাজৰ দূৰত্ব ৭ দশমিক ২ কিলোমিটাৰ হ্ৰাস কৰিব।

oooooooo

দেশপ্ৰেমৰ চেতনাৰে জনসাধাৰণক উদ্বুদ্ধ কৰাৰ বাবে দেশজুৰি কাইলৈৰ পৰা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন প্ৰান্তত দেশাত্মবোধৰ মানসিকতাৰে ৰাইজক প্ৰেৰিত কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব।

মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিজেপিৰ যোৰহাট জিলা সমিতিৰ তিৰংগা বিপণীখন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত তেওঁ জিলাখনৰ দলীয় কৰ্মীসকলৰ সৈতে **হৰ ঘৰ তিৰংগা** সন্দৰ্ভত মত বিনিময় কৰে।

গোৱালপাৰাত জিলা পৰিবহণ বিভাগৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় পতাকা লৈ বাইক ৰেলী উলিওৱা হয়। জিলা পৰিবহণ বিষয়া মনিৰুদ্দিন আহমেদে পতাকা জোকাৰি আৰম্ভ কৰা এই ৰেলী আগিয়া বজাৰত সামৰণি পৰে। **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে সকলো চৰকাৰী বিভাগৰ জিলা মূৰব্বী বিষয়া, পৌৰসভা আৰু জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিত সভাৰ আয়োজন কৰে। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অনুসৰি যোৱা ২ আগষ্টৰ পৰা আৰম্ভ হোৱা ৰাষ্ট্ৰীয় পতাকা প্ৰদৰ্শন কাৰ্যসূচী অহা ১৫ আগষ্টলৈ চলিব। গোৱালপাৰা জিলা প্ৰশাসনেও জিলাখনৰ প্ৰতিটো পৰিয়াল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাখিবলৈ আহ্বান জনাইছে। গোৱালপাৰা পৌৰসভা, লক্ষীপুৰ পৌৰসভা আৰু আত্মসহায়ক গোটসমূহৰ দ্বাৰা জিলাখনত বাইক ৰেলী, শোভাযাত্ৰাৰ লগতে অন্য দেশপ্ৰেমমূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

oooooooo

দুৰ্গা পূজাৰ পূৰ্বে বিটিচি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই দোটমাত অনুষ্ঠিত বিজয় সংকল্প সভাত অংশ লৈ এইদৰে কয়। আসন্ন বিটিচিৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে এটা শক্তিশালী দল হিচাপে প্ৰতিষ্ঠা হ'বলৈ সমৰ্থ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ ওদালগুৰিত হ'বলগীয়া বিজয় সংকল্প সভাত অংশ ল'ব। তিনি পৰিষদীয় সমষ্টিত তেওঁ দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে সভাত অংশ লোৱাৰ কথা। খৈৰাবাৰী পৰিষদীয় সমষ্টিত প্ৰথমখন সংকল্প সভা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সভাৰ অন্তত ভেৰগাঁও আৰু নন্দৈ ছেৰফাং পৰিষদীয় সমষ্টিত আয়োজিত সভাত অংশ ল'ব। জিলা প্ৰশাসনে কাইলৈ দিনৰ ২ বজাৰ পৰা হ'বলগীয়া এই সভাৰ বাবে ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে।

oooooooo

দেশৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই খণ্ডৰ সৈতে জড়িত লোকসকলক শুভেচ্ছা জ্ঞাপন কৰে। হস্ততাঁত খণ্ডৰ জৰিয়তে নাগৰিকৰ সৃষ্টিশীলতা প্ৰকাশ পাই বুলি তেওঁ কয়।

**বাইট (পি এম)**

নতুন দিল্লীত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে হস্ততাঁত খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱা শিপিনীসকলক সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰে। দেশৰ প্ৰায় ৬৫০ গৰাকী শিপিনী, বিদেশী ক্ৰেতা, বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে এই সমাৰোহত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ সচিব নীলম স্বামী ৰাও এই অনুষ্ঠানত অংশ লয়।

**বাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

মন্ত্ৰী বিমল বৰাই আজি ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সন্দৰ্ভত ইউৰোপীয় সংঘৰ কেইবাগৰাকী বিষয়ববীয়াৰ সৈতে মত বিনিময় কৰে। এই দিৱসৰ সৈতে সংগতি ৰাখি হস্ততাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই এই অনুষ্ঠানত অংশ লৈ হস্ততাঁত খণ্ডত অৱদান আগবঢ়োৱা ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৫০ গৰাকী শিপিনীক সন্মান আগবঢ়ায়।

মাজুলীৰ কমলাবাৰীৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প অধীক্ষকৰ কাৰ্যালয়তো এই দিৱস উদযাপন কৰা হয়। জিলাখনৰ কেইবাগৰাকীও হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সৈতে জড়িত ব্যক্তিক মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

বাক্সা জিলাৰ খাৰুৱাজানত বিটিচিৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত এই দিৱস পালন কৰা হয়। বড়োলেণ্ড মিছন ২০২৫ৰ অধীনত চাৰিটা গোটক অনুষ্ঠানটোত বঁটা প্ৰদান কৰা হয়।

oooooooo

ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে চুবুৰীয়া দেশৰ পৰা ভাৰতলৈ অহা হিন্দু, শিখ, বৌদ্ধ, খ্ৰীষ্টান, জৈন আৰু পাৰ্চি লোকৰ বিৰুদ্ধে বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা গোচৰ প্ৰত্যাহাৰ কৰাৰ সন্দৰ্ভত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটাত মতামত ব্যক্ত কৰে। তেওঁ কয়, যে বৰ্তমান ৰাজ্যত ৯৪ হাজাৰ ৪৭৭ গৰাকী ডি-ভোটাৰ আছে। ইয়াৰে একাংশ লোকৰ নামৰ বিপৰীতে ভোটাৰ তালিকাত সন্দেহযুক্ত বুলি উল্লেখ আছে যদিও তেওঁলোকৰ বিৰুদ্ধে ন্যায়াধীকৰণত কোনো গোচৰ নাই বুলি তেওঁ মন্তব্য কৰে। ৰাজ্য চৰকাৰে তেনে নামবোৰৰ বিপৰীতে থকা ডি চিহ্নটো আঁতৰাবলৈ জিলা আয়ুক্তসকলক আহ্বান জনাইছে বুলি তেওঁ কয়। সন্দেহযুক্ত হোৱা বাবে তেওঁলোকে ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈছে বুলিও তেওঁ কয়। তেনে লোকক মৌলিক অধিকাৰসমূহৰ পৰা বঞ্চিত নকৰিবলৈ চৰকাৰে এনে পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সৰ্থেবাৰীৰ বাপুজী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰি সংবাদিকৰ আগত তেওঁ এইকথা প্ৰকাশ কৰে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে।এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

oooooooo

কংগ্ৰেছ দলে শেহতীয়াকৈ উজনি অসমত আইন-শৃংখলাজনিত পৰিস্থিতিৰ অৱনতি ঘটা বুলি অভিযোগ তুলিছে। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰাক্তন সাংসদ ৰিপুণ বৰাই ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনক তীব্ৰ সমালোচনা কৰাৰ লগতে চৰকাৰখন ৰাইজক নিৰাপত্তা প্ৰদানত ব্যৰ্থ হৈছে বুলি অভিযোগ তোলে। তেওঁ ৰাজ্যখনত যদি সঁচাকৈয়ে অবৈধ বিদেশী নাগৰিক আছে তেন্তে বিতাড়নৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি মেহদি আলম বৰা, সাধাৰণ সম্পাদক বিপুল গগৈ, জ্যেষ্ঠ মুখপাত্ৰ ঋতুপৰ্ণ কোঁৱৰ আৰু মুখপাত্ৰ ৰিতম সিং উপস্থিত থাকে।

০০০০০০০০

দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে বিশ্বনাথ জিলা পৰিবহণ বিভাগে যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লৈছে। পৰিবহণ বিভাগে হেলমেট পৰিধান নকৰা মটৰচাইকেল আৰোহী অথবা চাৰিচকীয়া বাহনত ছিল্টবেল্ট ব্যৱহাৰ নকৰা চালকক জৰিমনা বিহিছে। চলিত বৰ্ষৰ এপ্ৰিল মাহৰ পৰা জুলাই মাহলৈ জিলা পৰিবহণ বিভাগে আইন উলংঘাকাৰীৰ বিৰুদ্ধে ই-চালান কাটি প্ৰায় ৭ কোটি ৯৫ লাখ টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। সকলো চালককে যান-বাহন আইন মানি চলিবলৈ জিলা পৰিবহণ বিষয়া শৈলেন দাসে আহ্বান জনাইছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত আজি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য প্ৰতিফলিত কৰা এখন ভাস্কৰ্য খোদিত দেৱাল স্থাপন কৰা হয়। শিল্পী জয়ন্ত চক্ৰৱৰ্তীয়ে খোদাই কৰা এই দেৱালখনত বিহুনৃত্যৰ লগতে বাগৰুম্বা, কাৰ্বি আৰু চাহ জনগোষ্ঠীয় ঝুমুইৰ নৃত্য ভংগিমা প্ৰদৰ্শিত হৈছে। আজি দুপৰীয়া আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লা খানে এই দেৱালখন আনুষ্ঠানিকভাৱে অনাবৰণ কৰে। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন অনুষ্ঠান মূৰব্বী দিলীপ কুমাৰ দাসকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি অসমৰ সংস্কৃতিক এই ধৰি ৰখাৰ বাবে আকাশবাণীযে লোৱা প্ৰচেষ্টাৰ শলাগ লয়।

০০০০০০০০

প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঐশ্বৰীয় বিশ্ববিদ্যালয়ৰ ভগ্নী আৰু আন বিষয়াববীয়া সকলৰ এটা দলে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলক ৰাখী পিন্ধায়। বিশ্ব ভাতৃত্ব আৰু শান্তিৰ বাণী কঢ়িয়াই অনা দলটোৰ এই প্ৰয়াসক আকাশবাণীৰ বিষয়া-কৰ্মচাৰী সকলে আন্তৰিকভাৱে প্ৰশংসা কৰে।

০০০০০০০০

আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ উদ্যোগত কাইলৈ অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত কেইটামান বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা চাৰে ৯ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰ শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। দুজনকৈ সদস্য থাকিবলগীয়া দলটো একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। কাইলৈ দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা, ঘটনা-পৰিঘটনাক সামৰি অসমীয়াত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। কাইলৈ বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। কাইলৈ সন্ধিয়া চাৰে ৫ বজাৰ পৰা নতুন প্ৰজন্মৰ ৰেডিঅ' অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব।

০০০০০০০০

গুৱাহাটীৰ বেতকুছি হাইস্কুল আৰু তিনিচুকীয়াৰ বৰুৱাহোলা হাইস্কুলে ১৭ বছৰ অনুৰ্ধ নৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী ছোৱালীৰ আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰবেশ কৰিছে। আজি বিয়লি অনুষ্ঠিত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত কামৰূপ মহানগৰ জিলাক প্ৰতিনিধিত্ব

কৰা বেতকুছি হাইস্কুলে শিৱসাগৰক ১-০ গলত পৰাস্ত কৰে। বেতকুছিৰ হৈ এছ বসুমতাৰীয়ে খেলৰ ২৫ মিনিটত বিজয়সূচক গলটো দিয়ে।
ইপিনে, নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত আনখন ছেমি ফাইনেলত বৰুৱাহোলা হাইস্কুলে কোকৰাঝাৰক ২-০ গলত পৰাভূত কৰে। খেলৰ ১৯ মিনিটত ডলী গগৈয়ে প্ৰথমটো আৰু ৫৪ মিনিটত ভূমি বৈৰীয়ে দ্বিতীয়টো গল দিয়ে।

০০০০০০০০০

সমাপ্ত